**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহা কুম্ভমেলাত এতিয়ালৈকে ৭ কোটি ৭২ লাখৰো অধিক ভক্তই ভাগ লৈছে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে জম্মুৰ ৰাজৌৰি জিলাত যোৱা কিছুদিনত বিভিন্ন ঘটনাত কেইবাজনো লোকৰ মৃত্যু হোৱাৰ কাৰণ নিশ্চিত কৰিবলৈ আন্তঃমন্ত্ৰী পৰ্যায়ৰ এটা দল গঠন কৰাৰ নিৰ্দেশ দিছে।

৪। ভাৰতৰ বিকাশ হাৰ ৬ দশমিক ৭ শতাংশ হ'ব বুলি বিশ্ব বেংকে অনুমান কৰিছে।

*আৰু*

৫। ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে খো-খো বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ সাহায্যৰে নিৰ্মাণ কৰা জাফনাৰ ঐতিহাসিক সাংস্কৃতিক কেন্দ্ৰটো তিৰুৱল্লুৱৰ সাংস্কৃতিক কেন্দ্ৰ নামেৰে নামকৰণ কৰাৰ সিদ্ধান্তৰ প্ৰতি আদৰণি জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে এই সিদ্ধান্তক ভাৰত আৰু শ্ৰীলংকাৰ জনসাধাৰণৰ মাজৰ গভীৰ সাংস্কৃতিক, ভাষিক, ঐতিহাসিক আৰু সভ্যতাগত বান্ধোনৰ পৰিচায়ক বুলি অভিহিত কৰিছে।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহা কুম্ভমেলাত অগণন ভক্ত আৰু তীৰ্থযাত্ৰীৰ সমাগম দেখিবলৈ পোৱা গৈছে। এতিয়ালৈকে ৭ কোটি ৭২ লাখৰো অধিক ভক্তই মহাকুম্ভ মেলাত ভাগ লৈছে আৰু ত্ৰিবেনী সংগমত পৱিত্ৰ স্নান সম্পন্ন কৰিছে।

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত ৪০ জনীয়া ভকত-বৈষ্ণৱৰ এটা দলে এইবেলি প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত ভাল ল'ব। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি উলিয়াইছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে জম্মুৰ ৰাজৌৰি জিলাত যোৱা কিছুদিনত বিভিন্ন ঘটনাত কেইবাজনো লোকৰ মৃত্যু হোৱাৰ কাৰণ নিশ্চিত কৰিবলৈ আন্তঃমন্ত্ৰী পৰ্যায়ৰ এটা দল গঠন কৰাৰ নিৰ্দেশ দিছে। গৃহ মন্ত্ৰ্যালয়ৰ নেতৃত্বৰ এই দলটোৱে বিগত ৬ সপ্তাহত তিনিটা পৃথক পৃথক ঘটনাত লোক কেইজনৰ মৃত্যু হোৱাৰ কাৰণ নিশ্চিত কৰাৰ উদ্দেশ্যে তেওঁলোকৰ গাঁওসমূহ ভ্ৰমণ কৰিব। দলটোত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ৰ লগতে কৃষি, ৰসায়ন তথা সাৰ আৰু জলসম্পদ মন্ত্ৰ্যালয়ৰ বিশেষজ্ঞসকল থাকিব। ইয়াৰ উপৰি পশুপালন, খাদ্য সুৰক্ষা আৰু ফৰেন্সিক বিজ্ঞান পৰীক্ষাগাৰৰ বিশেষজ্ঞসকলকো এই দলত অন্তৰ্ভুক্ত কৰা হৈছে। মন্ত্ৰী পৰ্যায়ৰ দলটো আজি জম্মুলৈ ৰাওনা হ'ব আৰু স্থানীয় প্ৰশাসনৰ সহযোগত তাৎক্ষনিক সাহায্য প্ৰদানৰ লগতে ভৱিষ্যতে এনে ধৰণৰ ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে ল'বলগীয়া প্ৰয়োজনীয় সৰ্কতামূলক ব্যৱস্থা সন্দৰ্ভত কাম কৰিব।

০০০০০

চণ্ডিগড়ৰ এখন চি বি আই আদালতে হিমাচল প্ৰদেশৰ ছিমলা জিলাত ২০১৭ চনত সংঘটিত কোটখই ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত সুৰজৰ জিম্মাত হোৱা হত্যাৰ বাবে আৰক্ষী মহাপৰিদৰ্শক জহুৰ হাইদৰ জেইদি আৰু অন্য ৮ জন আৰক্ষী কৰ্মীক দোষী সাব্যস্ত কৰিছে। ২৭ জানুৱাৰীত এই গোচৰৰ শাস্তি ঘোষণা কৰা হ'ব। দোষী সাব্যস্ত কৰাৰ পাছতে আৰক্ষী মহাপৰিদৰ্শক জেইদি আৰু আৰক্ষী কৰ্মীকেইজনক জিম্মাত লোৱা হৈছে। অৱশ্যে সাক্ষ্য প্ৰমাণৰ অভাৱত এই গোচৰত অভিযুক্ত সেই সময়ৰ আৰক্ষী অধীক্ষক ডি ডব্লিউ নেগীক দোষমুক্ত ঘোষণা কৰা হৈছে। গুড়িয়া হত্যাকাণ্ডৰ ১৪ দিন পাছত কোটখৈ আৰক্ষী চকীৰ লকাপত অভিযুক্ত সুৰযক হত্যা কৰা হৈছিল। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে চণ্ডিগড়ৰৰ চি বি আই আদালতত এই গোচৰৰ বিচাৰ চলোৱা হৈছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত কাইলৈ নিশা চাৰে ৯ বজাত **পথ সুৰক্ষা নিশ্চিতকৰণ** সন্দৰ্ভত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ৰ অতিৰিক্ত সচিব মেহমুদ আহমেদ আৰু পৰিবহণ বিশেষজ্ঞ অনিল চিকাৰাৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পোৱা যাব।

ooooo

২ দশমিক ৭ শতাংশৰ গোলকীয় বিকাশ হাৰক চেৰ পেলাই ভাৰতৰ বিকাশ হাৰ ৬ দশমিক ৭ শতাংশ হ'ব বুলি বিশ্ব বেংকে অনুমান কৰিছে। বিশ্ব বেংকৰ গোলকীয় অৰ্থনীতি প্ৰেক্ষাপট সম্পৰ্কীয় প্ৰতিবেদনত জানুৱাৰীৰ সংস্কৰণত পৰৱৰ্তী দুটা বিত্তীয় বৰ্ষত ভাৰতৰ দ্ৰুত বিকাশশীল বৃহৎ অৰ্থব্যৱস্থাৰ মৰ্যাদা অক্ষুণ্ণ থাকিব বুলি উল্লেখ কৰা হৈছে। এই প্ৰতিবেদনত চৰকাৰৰ ৰূপান্তৰকামী উদ্যমৰ লগতে সেৱা খণ্ডৰ অভূতপূৰ্ব বিকাশ আৰু নিৰ্মাণ আধাৰৰ সম্প্ৰসাৰণৰ বাবেই ভাৰতীয় অৰ্থব্যৱস্থাৰ বিকাশ বৃদ্ধি পোৱা বুলি কোৱা হৈছে। আন্তঃগাঁথনিৰ আধুনীকীকৰণৰ পৰা কৰ ব্যৱস্থাৰ সৰলীকৰণৰ দৰে ব্যৱস্থাই ঘৰুৱা বিকাশ ত্বৰান্বিত কৰিছে আৰু ভাৰতক গোলকীয় অৰ্থনৈতিক সুস্থিৰতাৰ ভেটি ৰূপে পৰিগণিত কৰিছে। প্ৰতিবেদনত লগতে চীনৰ অৰ্থনৈতিক বিকাশৰ হাৰ পৰৱৰ্তী বছৰত ৪ শতাংশলৈ হ্ৰাস পাব বুলি উল্লেখ কৰা হৈছে। অনাগত সময়ত দেশৰ সেৱা খণ্ডৰ দ্ৰুত বিকাশ অব্যাহত থাকিব আৰু নিৰ্মাণৰ সৈতে জড়িত কামকাজ সুদৃঢ় হ'ব বুলি বিশ্ব বেংকৰ প্ৰতিবেদনত কোৱা হৈছে। প্ৰতিবেদনত লগতে মুদ্ৰাস্ফিতিৰ হাৰৰ নিম্নমুখী গতি, সুলভ ঋণ আৰু শক্তিশালী শ্ৰম বজাৰৰ বাবে দেশত বিভিন্ন সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি পাব বুলি উল্লেখ কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰ নীধিয়েও ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতৰ অৰ্থনৈতিক বিকাশ হাৰ ৬ দশমিক ৫ শতাংশ হ'ব বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে।

ooooo

গাজাৰ হামাছ আৰু ইজৰাইলৰ মাজত ভাৰতীয় সময় অনুসৰি আজি দুপৰীয়া ১২ বজাৰ পৰা যুদ্ধ বিৰতি চুক্তি কাৰ্যকৰী হ'ব। ইয়াৰ পূৰ্বে কালি ইজৰাইলৰ মন্ত্ৰীসভাই গাজা যুদ্ধ বিৰতি চুক্তিত অনুমোদন দিয়ে। অৱশ্যে যুদ্ধ বিৰতি কাৰ্যকৰী হোৱাৰ কিছু ঘণ্টা পূৰ্বে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কয়, যে গাজা যুদ্ধ বিৰতি চুক্তি সাময়িক হ'ব পাৰে আৰু গাজা যুদ্ধ পুনৰ চলাই নিয়া ইজৰাইলৰ অধিকাৰ আছে। প্ৰথম পৰ্যায়ত তেওঁ ৩৩ গৰাকী পনবন্দীৰ তালিকা প্ৰকাশ কৰিবলৈ হামাছক নিৰ্দেশ দিছে। চুক্তিৰ প্ৰথম পৰ্যায়ৰ অধীনত হামাছে শিশু, মহিলা আৰু ৫০ বছৰ বয়সৰ উৰ্ধৰ ব্যক্তিকে ধৰি ৩৩ গৰাকী পনবন্দীক মোকলাই দিয়াৰ বাবে হামাছে সন্মতি প্ৰকাশ কৰিছে।

ooooo

ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে খো-খো বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় পুৰুষ দলে কালি দিল্লীৰ ইন্দিৰা গান্ধী ইণ্ডোৰ ষ্টেডিয়ামত অনুষ্ঠিত চেমিফাইনেলত দক্ষিণ আফ্ৰিকাক ৬২-৪২ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰত আজি ইন্দিৰা গান্ধী ইণ্ডোৰ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নেপালে কালি চেমিফাইনেলত ইৰানক ৭২-২৯ পইণ্টত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

ইয়াৰ পূৰ্বে ভাৰতীয় মহিলা দলে জয়ৰ ধাৰা অব্যাহত ৰাখি দক্ষিণ আফ্ৰিকাক ৬৬-১৬ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। মহিলা দলটো আজি ফাইনেলত নেপালৰ সন্মুখীন হ'ব।

ooooo

ভাৰতৰ টেনিছ তাৰকা অংকিতা ৰাইনা আৰু ব্ৰিটেইনৰ নাইক্‌থা বেইনছে ITF W50 প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ফাইনেল খেলখনত যুটীটোৱে আমেৰিকাৰ চতুৰ্থ বাছনিৰ জেছি এনে আৰু জেছিকা ফাইল্লাক ৬-৪, ৩-৬, ১০-৮ ছেটত পৰাজিত কৰে। এয়া হৈছে অংকিতাৰ প্ৰথমটো ডাবলছৰ খিতাপ।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আই চি চি চেম্পিয়নছ্ ট্ৰফী আৰু ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে। এদিনীয়া দললৈ কুলদীপ যাদৱ আৰু মহম্মদ শ্বামীৰ প্ৰত্যাৱৰ্তন ঘটিছে। যশপ্ৰীত বুমৰাকো চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলৰ বাকী সদস্যসকলৰ ভিতৰত আছে- উপ-অধিনায়ক শুভমন গীল, বীৰাট কোহলি, অক্ষৰ পেটেল, অৰ্শদীপ সিং, ৰবীন্দ্ৰ জাদেজা, উইকেট কীপাৰ ঋষভ পণ্ট, ৱাংচিংটন সুন্দৰ, কে এল ৰাহুল, হাৰ্দিক পাণ্ডিয়া, যশস্বী জয়চোৱাল। হৰ্ষিত ৰাণাক সংৰক্ষিত খেলুৱৈ হিচাপে ৰখা হৈছে।

ভাৰতে ১৯ ফেব্ৰুৱাৰীত আৰম্ভ হ'বলগীয়া চেম্পিয়নছ্ ট্ৰফীত অংশগ্ৰহণ কৰাৰ বাবে ডুবাইলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে ৬, ৯ আৰু ১২ ফেব্ৰুৱাৰীত ইংলেণ্ডৰ বিৰুদ্ধে তিনিখন এদিনীয়া খেলত অৱতীৰ্ণ হ'ব। ভাৰতক চেম্পিয়নছ্ ট্ৰফীৰ গ্ৰুপ এত স্থান দিয়া হৈছে আৰু দলটোৱে ২০ ফেব্ৰুৱাৰীত বাংলাদেশৰ বিৰুদ্ধে নিজৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। ভাৰত ২৩ ফেব্ৰুৱাৰীত পাকিস্তান আৰু ২ মাৰ্চত নিউজিলেণ্ডৰ সন্মুখীন হ'ব। পাকিস্তান আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ-ইউ এ ইয়ে আই চি চি চেম্পিয়নছ্ ট্ৰফীৰ এইবাৰৰ নৱম সংস্কৰণৰ আয়োজন কৰিছে যদিও ভাৰতৰ আটাইকেখন খেল ডুবাইত খেলোৱা হ'ব।

ooooo

সমাপ্ত